# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2024
**Time :** 19-10 Hrs.

**Assamese Evening Bulletin**
**HEADLINES**
**::::::::::::::::::::::::::::::::::::::**

১।	দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

২।	বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰানসী সমষ্টিৰ পৰা তেওঁৰ মনোনয়ন পত্ৰ দাখিল কৰিছে।

৩।	নিৰ্বাচন আয়োগে কৈছে যে, নিৰ্বাচনী আচৰণবিধি বলবৎ হোৱাৰে পৰা লাভ কৰা ৯০ শতাংশ অভিযোগ নিষ্পত্তি কৰা হৈছে।

৪।	গৃহ মন্ত্ৰালয়ে আৰক্ষী, চিবিআই, মাদক দ্ৰব্য নিবাৰণী বিভাগ, ভাৰতীয় ৰিজাৰ্ভ বেংক, বিধি বলবৎকাৰী সঞ্চালকালয় আৰু অন্য আইন বলবৎকাৰী সংস্থাৰ বিষয়াৰূপী প্ৰৱঞ্চকৰ পৰা সতৰ্ক হৈ থাকিবলৈ জনসাধাৰণৰ প্ৰতি পৰামৰ্শ আগবঢ়াইছে।

***আৰু***

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত দিল্লীত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহী কেপিটেলছৰ সন্মুখীন হ'ব।

০০০০

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ বনগাঁও লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। অনুষ্ঠানত অংশ লৈ শ্ৰীশ্বাহে জনসাধাৰণক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰোৱাৰ বাবে জনসাধাৰণক এন ডি এক ভোটদান কৰিবলৈ আহ্বান জনায়। তেওঁ চতুৰ্থ পৰ্যায়লৈকে নিৰ্বাচন অনুষ্ঠিত ৩৮০খন আসনৰ ভিতৰত এন ডি এয়ে ২৭০খন আসন লাভ কৰিব বুলি মন্তব্য কৰে। ইফালে দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি উত্তৰ প্ৰদেশৰ আমেঠিত আয়োজিত এখন জনসভাত অংশ লয়।

কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি উত্তৰ প্ৰদেশৰ মহাৰাজগঞ্জ আৰু গোৰখপুৰৰ সমীপৰ চৌৰি-চৌৰাত  আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ কয় যে, কংগ্ৰেছ

নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে কৃষকৰ ঋণ ৰেহাই দিয়াৰ লগতে কৃষি খণ্ডৰ পৰা জি এছ টি আঁতৰোৱা হ'ব বুলি উল্লেখ কৰে। একেদৰে কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই আজি উত্তৰ প্ৰদেশৰ আমেঠিত জনসভাত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযান চলায়। ইপিনে আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে আজি হাৰিয়ানাৰ কুৰুক্ষেত্ৰত এটা ৰোড শ্ব'ত অংশ লয়।

সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱে কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীৰ সৈতে আজি ঝাছিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদীপ জৈনৰ হকে যুটীয়াভাৱে নিৰ্বাচনী সভাত ভাষণ দিয়ে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি উড়িশাৰ ভূৱনেশ্বৰত এখন জনসভাত অংশ লয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে দেশক প্ৰগতিৰ পথত আগবঢ়াই নিয়াৰ বাবে এন ডি এক সমৰ্থন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

বিহাৰতো প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে। বিজেপি, জে দি ইউ, লোকজনশক্তি পাৰ্টী ৰামৱিলাস, হিন্দুস্তানী আৱাম মৰ্চা, আৰু ৰাষ্ট্ৰীয় মৰ্চাৰ নেতাসকলে ৰাজ্যখনৰ ঠায়ে ঠায়ে আজি এন ডি এ প্ৰাৰ্থীৰ হকে প্ৰচাৰত ভাগ লয়। ৰাজ্যখনৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী সুশিল কুমাৰ মোদীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ তাৰকা প্ৰচাৰকসকলে আজি নিজৰ কাৰ্যসূচী বাতিল কৰে। আৰ জে দিৰ নেতা তেজস্বী প্ৰসাদ যাদৱ, বিকাশশীল ইনচান পাৰ্টীৰ মুৰব্বী মুকেশ সাহানীয়েও আজি বিভিন্ন সমষ্টিত মহা মিত্ৰজোটৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছৰ নেতাসকলে আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে প্ৰচাৰত ব্ৰতী হয়।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰানসী সমষ্টিৰ পৰা তেওঁৰ মনোনয়ন পত্ৰ দাখিল কৰিছে। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ত এই সমষ্টিটোৰ বাবে ভোটগ্ৰহণ কৰা হ'ব আৰু এই পৰ্যায়ৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আছিল। শ্ৰী মোদীয়ে পুৱাৰ ভাগত পৱিত্ৰ গংগাত স্নান কৰি কাশীৰ কালভৈৰৱ মন্দিৰত পূজা-অৰ্চনা কৰি আশীৰ্বাদ লৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, দলৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিং আৰু হৰদীপ সিং পুৰীকে ধৰি মিত্ৰজোঁটৰ - চন্দ্ৰবাবু নাইডু, একনাথ সিন্দে, জিতন ৰাম মাঝি, সঞ্জয় নিশ্বাদ, ৰামদাস আঠাৱালে প্ৰমুখ্যে কেইবাগৰাকীও নেতা উপস্থিত থাকে।

কংগ্ৰেছ প্ৰাৰ্থী তথা বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ যুটীয়া প্ৰাৰ্থী অজয় ৰায়ে শ্ৰী মোদীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। ২০১৪ আৰু ২০১৯ চনৰ লোকসভা নিৰ্বাচনত শ্ৰী মোদীৰ বিৰুদ্ধে বাৰানসীৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা উত্তৰ প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী শ্ৰী ৰায়ে দুয়োটা নিৰ্বাচনতে তৃতীয় স্থানত থাকে। ২০১৯ চনৰ নিৰ্বাচনত প্ৰধানমন্ত্ৰী মোদীয়ে সমাজবাদী পাৰ্টীৰ শালিনী যাদৱক ৪ লাখ ৭৯ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত পৰাজিত কৰিছিল।

০০০০

নিৰ্বাচন আয়োগে কৈছে যে, নিৰ্বাচনী আচৰণবিধি বলবৎ হোৱাৰে পৰা লাভ কৰা ৯০ শতাংশ অভিযোগ নিষ্পত্তি কৰা হৈছে। আজি এটা বিবৃতিত আয়োগে প্ৰকাশ কৰে যে কংগ্ৰেছ আৰু বিজেপি দলৰ বাহিৰে আন কোনো দলৰে গুৰুত্বপূৰ্ণ অভিযোগ নিষ্পত্তি নোহোৱাকৈ থকা নাই। বিবৃতিটোত প্ৰকাশ পোৱা মতে বিভিন্ন

ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ পৰা ৪২৫ টা গুৰুত্বপূৰ্ণ অভিযোগ পোৱা গৈছিল। ইয়াৰে ৪০০ টা গোচৰৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হৈছে আৰু অভিযোগ নিষ্পত্তি কৰা হৈছে। আয়োগে কৈছে যে ১৭০ টা অভিযোগ কংগ্ৰেছে, ৯৫ টা বিজেপিয়ে আৰু ১৬০ টা অন্যান্য ৰাজনৈতিক দলে দাখিল কৰিছিল। আয়োগে লগতে কৈছে যে, কংগ্ৰেছ আৰু বিজেপি দলে ইটোৱে সিটোৰ প্ৰতি জনোৱা নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ কেইটামান অভিযোগ এতিয়ালৈকে বিচৰাধীন হৈ আছে। পূৰ্বতে আয়োগে নিৰ্বাচনী আচৰণবিধি উলংঘা কৰা নেতাসকললৈ জাননী জাৰি কৰিছিল।

০০০০

প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত সেহগালে আজি নতুন দিল্লীত থকা আকাশবাণীৰ মুখ্য কাৰ্যালয় ভ্ৰমণ কৰাৰ লগতে বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। আকাশবাণীৰ কাম-কাজ আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে প্ৰচাৰ ভাৰতীৰ বাতৰি সেৱা বিভাগ আৰু অভিযান্ত্ৰিক বিভাগৰ সৈতে তেওঁ বিস্তৃত আলোচনাত মিলিত হয়। বাতৰি সেৱা বিভাগৰ অনুষ্ঠানৰ মান উন্নত কৰাৰ বাবে কোনবোৰ দিশত গুৰুত্ব দিব লাগিব সেই বিষয়েও শ্ৰীসেহগালে আলোকপাত কৰে।

আকাশবাণীক অধিক ফলপ্ৰসূ, নমনীয় আৰু কাৰ্যকৰী কৰি তোলৰ প্ৰয়োজনীয়তা সম্পৰ্কেও তেওঁ গুৰুত্ব আৰোপ কৰে। ডিজিটেল মাধ্যমৰ জৰিয়তে আকাশবাণীক অধিক শ্ৰোতাৰ মাজলৈ লৈ যোৱাৰ বিষয়েও তেওঁ কয়।

০০০০

পাক অধিকৃত কাশ্মীৰত পাকিস্তানী বাহিনীৰে হোৱা এটা সংঘৰ্ষত ৪ জন লোক নিহত হোৱাৰ লগতে শতাধিক আহত হয়। নিহত চাৰিজনৰ এজন আৰক্ষী বিষয়া বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, আটাকে ধৰি বিভিন্ন মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ লগতে সঘনাই হোৱা বিদ্যুৎ কৰ্তনৰ বিৰুদ্ধে সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে শুকুৰবাৰৰ পৰা কাশ্মীৰৰ ৰাজপথ উত্তাল কৰি ৰাখিছে। বিক্ষোভকাৰী আৰু আৰক্ষীৰ মাজত যুদ্ধ আৰম্ভ  হোৱাৰ পাছতেই প্ৰতিবাদে হিংসাত্মক ৰূপ লয়। যোৱা সপ্তাহৰ শেষত তীব্ৰতৰ হৈ পৰা এই বিদ্ৰোহৰ বাবে পাক অধিকৃত কাশ্মীৰৰ প্ৰশাসনীয় কৰ্তৃপক্ষই ভাৰতীয় দণ্ডবিধিৰ ১৪৪ ধাৰা জাৰি কৰিছে। ফলত অঞ্চলটোৰ বিদ্যালয় আৰু ৰাজহুৱা পৰিবহন বন্ধ হোৱাৰ লগতে ব্যৱসায় বাণিজ্য আদিত ব্যাঘাত জন্মিছে।

শক্তিখণ্ডৰ ব্যয় বৃদ্ধি পোৱাৰ বাবে বিগত দুটা বছৰত পাকিস্তানৰ অৰ্থনীতিয়ে অত্যাধিক উচ্চ মুদ্ৰাস্ফীতিৰ সন্মুখীন হোৱাৰ লগতে দেশখনৰ অৰ্থনৈতিক বিকাশো শোচনীয় হৈছে। ২০২২ বৰ্ষৰ মে' পৰ্যন্ত দেশখনৰ উপভোক্তা মুদ্ৰাস্ফীতিৰ হাৰ আছিল ২০ শতাংশ, ২০২৩ বৰ্ষৰ মে'লৈকে এই হাৰ ৩৮ শতাংশ হয়গৈ।

০০০০

গৃহ মন্ত্ৰালয়ে আৰক্ষী, চিবিআই, মাদক দ্ৰব্য নিবাৰণী বিভাগ, ভাৰতীয় ৰিজাৰ্ভ বেংক, বিধি বলবৎকাৰী সঞ্চালকালয় আৰু অন্য আইন বলবৎকাৰী সংস্থাৰ বিষয়াৰূপী প্ৰৱঞ্চকৰ পৰা সতৰ্ক হৈ থাকিবলৈ জনসাধাৰণৰ

প্ৰতি পৰামৰ্শ আগবঢ়াইছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে একাংশ চাইবাৰ অপৰাধীয়ে চৰকাৰী বিষয়াৰ বেশত ভয় ভাবুকি দেখুৱাই প্ৰবঞ্চনা, ধন দাবীকে ধৰি বিভিন্ন অপৰাধমূলক কাৰ্য কৰি অহা সন্দৰ্ভত ক্ৰাইম ৰিপোৰ্টিং প'ৰ্টেলত ভালেসংখ্যক অভিযোগ পঞ্জীভুক্ত হৈছে।

মন্ত্ৰালয়ে লগতে কয় যে, এনেধৰণৰ ঘটনাত বহু লোকে অপৰাধীক কৰলত পৰি বৃহৎ পৰিমাণৰ ধন হেৰুৱাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এনেধৰণৰ সংগঠিত অৰ্থনৈতিক অপৰাধ সংঘটিত কৰা এটা চক্ৰ সীমান্তৰ সিপাৰৰ পৰা পৰিচালনা কৰা হয় বুলি প্ৰকাশ কৰা হৈছে। মন্ত্ৰালয়ে কয় যে, এনেধৰণৰ অপৰাধীসকলে স্কাইপ বা অন্য ভিডিঅ' কনফাৰেন্সিং প্লেটফৰ্মত জনসাধাৰণক ভীতি প্ৰদৰ্শন কৰাৰ চেষ্টা কৰে। মন্ত্ৰালয়ে এনে ধৰণৰ ঘটনা সন্মুখীন হোৱাৰ লগে লগে ১৯৩০ হেল্পলাইন নম্বৰ নাইবা WWW.CYCBERCRIME.GOV.INত যোগাযোগ কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে।

oooo

কেন্দ্ৰীয় চৰকাৰে এল টি টি ইৰ বিৰুদ্ধে আৰোপ কৰা প্ৰতিবন্ধকতাৰ ম্যাদ আৰু ৫ বছৰ বৃদ্ধি কৰিছে। গৃহ মন্ত্ৰালয়ে এখন অধিসূচনাযোগে কৈছে যে, এল টি টি ইৰ কাৰ্যকলাপ এতিয়াও দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতালৈ ভাবুকিস্বৰূপ হৈ থকালৈ চাই কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে ২০১৯ চনৰ মে'ত এল টি টি ই এটা বেআইনী সংগঠনৰূপে ঘোষণা কৰিছিল আৰু সংগঠনটোৰ বিৰুদ্ধে ৫ বছৰৰ বাবে নিষেধাজ্ঞা আৰোপ কৰিছিল।

oooo

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো ইটালিয়ান অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হৈছে। দ্বিতীয় বাচনিপ্ৰাপ্ত বোপন্না আৰু এবডেনৰ যুটীটো আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইটালীৰ ছিম'ন ব'লেলি আৰু এণ্ড্ৰিয়া ৱাৱাচ্ছৰিৰ হাতত ২-৬, ৪-৬ পোনপটীয়া ছেটত পৰাজিত হয়।

oooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহী কেপিটেলছৰ সন্মুখীন হ'ব। ইফালে, গুজৰাট টাইটানছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত কালি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলখন বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰাত গুজৰাট দলটো প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে। খেলখন পৰিত্যক্ত ঘোষণা কৰাত কলকাতা আৰু গুজৰাট উভয় দলে এক পইণ্টকৈ লাভ কৰে। ফলত প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষ দুটা দলৰ মাজত ইতিমধ্যে প্লেঅফ পৰ্যায়ত প্ৰবেশ কৰা কলকাতা নাইট ৰাইডাৰ্ছৰ স্থান নিশ্চিত হৈ পৰে। যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুসহ ৬টা দল প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ৰ দৌৰত আছে।

oooo

ঃঃ সমাপ্ত ঃঃ